# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত মুঠ ৪ লাখ ১৯ হাজাৰ ৭৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে তিনি লাখ ১৭ হাজাৰ ৩১৭ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। পৰীক্ষাৰ্থীসকলৰ এক লাখ ৫ হাজাৰ ৮৭৩ গৰাকীয়ে প্ৰথম বিভাগ, এক লাখ ৫০ হাজাৰ ৭৬৪ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৬০ হাজাৰ ৬৮০ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। সামগ্ৰিকভাৱে ৭৫ দশমিক ৭ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

ফলাফল অনুসৰি যোৰহাটৰ অনুৰাগ দলৈয়ে ৫৯৩ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সমৰ্থ হয়। একেদৰে বিশ্বনাথ চাৰিআলিৰ ঝৰ্ণা শইকীয়াই ৫৯০ নম্বৰেৰে ৰাজ্যৰ ভিতৰতে দ্বিতীয় সৰ্বোচ্চ নম্বৰ লাভ কৰে। আনহাতে মাজুলীৰ মানসপ্ৰতিম শইকীয়া, বৰপেটাৰ বেদান্ত চৌধুৰী আৰু নগাঁৱৰ দেৱাশ্ৰী কাশ্যপে ৫৮৮ নম্বৰেৰে ৰাজ্যৰ ভিতৰতে তৃতীয় সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিৰ গৌৰৱ অৰ্জন কৰে।

জিলাসমূহৰ ভিতৰত চিৰাং জিলাত উত্তীৰ্ণৰ হাৰ সৰ্বোচ্চ হোৱাৰ বিপৰীতে নলবাৰী দ্বিতীয় আৰু বাক্সা তৃতীয় স্থানত আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছতে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে তামুলপুৰত এখন সংবাদমেলত সম্বোধন কৰি বিটিচিৰ অন্তৰ্গত চিৰাং আৰু বাক্সা জিলাৰ ফলাফলক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীবড়োৱে লগতে শিক্ষাৰ ক্ষেত্ৰত ভৱিষ্যতে আৰু অধিক কৰণীয় আছে বুলি মত প্ৰকাশ কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি, কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত সমষ্টিসমূহৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ সন্ধিয়া শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ দলেও সমষ্টিকেইটাত প্ৰচাৰ অব্যাহত ৰাখিছে আৰু দলৰ শীৰ্ষ নেতৃত্বই ৰাজ্যখনত অলপতে প্ৰচাৰ চলোৱাৰ কথা। কাইলৈ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে শিলচৰত প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও প্ৰতিকুল বতৰৰ বাবে এই কাৰ্যসূচী বাতিল কৰা হয়।

আজি ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এন ডি এৰ মনোনীত প্ৰাৰ্থী কৃপানাথ মল্লাহৰ হৈ কৰিমগঞ্জ, বৰখলা, ধলাই আৰু হাইলাকান্দিকে ধৰি বৰাক উপত্যকাৰ বিভিন্ন ঠাইত কেইবাখনো নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

ইফালে ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই মৰিগাঁও জিলাৰ মিকিৰভেটাত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে দলীয় কৰ্মকৰ্তাসকলেও অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰীগৰাকীয়ে বিজেপিৰ নিৰ্বাচনী সংকল্পসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰে।

আনহাতে নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৰহা বিধানসভা সমষ্টিৰ কচুৱা তিনিআলিত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে বিৰোধী পক্ষক কঠোৰ ভাষাৰে সমালোচনা কৰি জনসাধাৰণক বিবেকৰ দ্বাৰা পৰিচালিত হৈ ভোটদান কৰিবলৈ আহ্বান জনায়।

তামুলপুৰৰ কাউৰবাহাত আজি দৰং ওদালগুৰি সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী দুৰ্গা দাস বড়োৰ হৈ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰি মহিলাৰীয়ে বিজেপি মিত্ৰজোটক তীব্ৰ ভাষাৰে সমালোচনা কৰে।

০০০০০

০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে। চিৰাং জিলাৰ অধীনৰ চিডলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিতো নিৰ্বাচনী জিলা দুখনে এই সম্পৰ্কীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। ইতিমধ্যে ভোটাৰ সজাগতাৰ লক্ষ্যৰে বিজনী সমষ্টিত শুভংকৰ মুকলি কৰাৰ লগতে নতুন ভোটাৰ অংশগ্ৰহণেৰে এখন সজাগতামূলক ফেশ্বন শ্ব' প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইয়াৰ লগতে চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত কেইবাখনো শিক্ষানুষ্ঠানত প্ৰথমবাৰৰ ভোটদাতা সকলক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যেৰে অন্যান্য কাৰ্যসূচী হাতত লোৱা হয়।

০০০০০

নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ দিনা আৰু ইয়াৰ এদিন পূৰ্বে ৰাজ্যিক বা জিলা পৰ্যায়ৰ মিডিয়া চাৰ্টিফিকেশ্বন এণ্ড ম'নিটৰিং কমিটীৰ আগতীয়া অনুমতি অবিহনে ৰাজনৈতিক দল, প্ৰাৰ্থী, সংগঠন বা কোনো ব্যক্তিৰ দ্বাৰা ছপা মাধ্যমত বিজ্ঞাপন প্ৰকাশত বাধা আৰোপ কৰিছে। ভোটগ্ৰহণৰ ঠিক আগমুহূৰ্তত প্ৰকাশ পোৱা বিভ্ৰান্তিকৰ অথবা আপত্তিজনক বিজ্ঞাপনে ক্ষতিগ্ৰস্ত কৰা পক্ষই আত্মপক্ষ সমৰ্থনৰ কাৰণে কোনো সময় বা সুযোগ নোপোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে এই স্থিতি গ্ৰহণ কৰিছে। সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতাৰ প্ৰয়োগেৰে এনে যিকোনো প্ৰকাৰৰ আপত্তিজনক বিজ্ঞাপন প্ৰকাশৰ ঘটনা প্ৰতিৰোধ কৰাৰ বাবে আয়োগে এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০

নিৰ্বাচনী তৎপৰতাৰ মাজতে আজি মহানগৰৰ হাতীগাঁও আৰক্ষীয়ে ৯জন ব্যক্তিক চাইবাৰ অপৰাধত জড়িত থকাৰ সন্দেহত আটক কৰিছে। ভেটাপাৰা অঞ্চলৰ এটা হোম ষ্টে'ৰ পৰা আটক কৰা ব্যক্তিকেইজন প্ৰতিবেশী ৰাজ্য পশ্চিমবংগৰ বুলি জানিব পৰা গৈছে। বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আটক কৰা অভিযুক্তকেইজনক আৰক্ষীয়ে অধিক তথ্যৰ বাবে চাইবাৰ ক্ৰাইম শাখালৈ হস্তান্তৰিত কৰিছে।

০০০০০

সমাপ্ত